بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**হজৰত মছীহ মাওউদ (আঃ)ৰ গভীৰ তত্ত্ব সম্বলিত বাণীৰ আধাৰত লা তাকওৱা সম্পৰ্কে ব্যাখ্যা আৰু এয়া আহৰণ কৰাৰ শিক্ষা,পদ্ধতিৰ বৰ্ণনা। জুমাৰ দিনটোত এনেকুৱা এটা সময় অতিবাহিত হয় যে সেই সময় ছোৱাত যি দোৱা প্ৰাৰ্থনা কৰা হয় সেয়া গৃহীত হৈ যায় এই সম্পৰ্কেও আলোচনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ এপ্ৰিল ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ৰমজান মাহ পাৰ হৈ গ'ল, এই ৰমজান মাহত বহুজনেই নিজৰ ইবাদত আৰু নিজৰ মাজত বিশেষ পৰিবৰ্তন সাধন কৰিবলৈ পৰিকল্পনা কৰিছিল যদিও সেই মতে আমল কৰিব পৰা নাই। এনেকুৱা মন্তব্যৰ সৈতে কেইবাজনে মৌলৈ চিঠি লিখিছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে জুমাৰ দিনটো সেই বাবৰকত আৰু কল্যাণময় দিন য'ত এনেকুৱা এটা সময় আহে তেতিয়া দোৱা কবুলিয়তৰ বিশেষ সময় হয়। গতিকে যদিও আমাৰ ৰমজান মাহৰ দিনবোৰ তেনেদৰে পাৰ হোৱা নাই, যেনেকৈ আমি ইচ্ছা কৰিছিলোঁ বা যেনেকৈ এজন মোমিন ব্যক্তিয়ে পাৰ কৰা উচিত আছিল। তেন্তে আজি আমি আকৌ এয়া শপত লোৱা উচিত হ'ব আৰু দোৱা কৰিব লাগিব যে আল্লাহ তা'লা আমাৰ দুৰ্বলতা সমূহ ক্ষমা কৰি আমাৰ ওপৰত দয়া কৰি আমাক তৌফিক দান কৰক যাতে আমি আমাৰ জীৱনটো ভৱিষ্যতত সেই বাটেৰে চলাব পৰা হওঁ, যি আল্লাহ তা'লা আমাৰ পৰা বিচাৰে। আল্লাহ তা'লা অতিশয় দয়াবান সি আমাৰ দোৱা সমূহ কবুল কৰাৰ বাবে এয়া লোৱা নাই যে ৰমজান মাহত জুমাৰ দিনাখন এনেকুৱা এটা সময় আহে যি সময়ছোৱাত দোৱা কবুল হয়, বৰং প্ৰত্যেক জুমাৰ দিনৰ এয়া সাধাৰণ বিশেষত্বহে বৰ্ণনা কৰিছে।

গতিকে যদি আজি আমি নিজৰ দোৱাৰ মাজত এয়া শপত লওঁ যে আমি এই ৰমজানৰ পিছতও নিজৰ তাকওৱাৰ মান উন্নতৰ পৰা উন্নত লৈ আগবঢ়াই লৈ যাম, ইয়াৰ বাবে চেষ্টা কৰিম, আল্লাহ তা'লাৰ সান্নিধ্য লাভ কৰিবলৈ চেষ্টা কৰি থাকিম, আগৰ জুমালৈকে নিজৰ ইবাদত একাগ্ৰচিত্তে আল্লাহ তা'লাৰ বাবেই কৰি গৈ থাকিম, এটা জুমাৰ পৰা আন এটা জুমাৰ মাজত সময়ছোৱাত নিজৰ ইবাদত আৰু সজ আমলৰ জৰিয়তে সৌন্দৰ্যময় কৰি

তুলাৰ চেষ্টা কৰিম, দ্বীনক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিম আৰু আগলৈ অহা ৰমজানলৈকে আমি সেই সকলোবোৰ কাৰ্য সম্পূৰ্ণ কৰিবলৈ পৰিপূৰ্ণ চেষ্টা কৰি যাম, যিবোৰ আমি নিজৰ ভিতৰত পৱিত্ৰ পৰিবৰ্তন সাধন কৰাৰ নিমিত্তে ৰমজান মাহত পৰিকল্পনা কৰিছিলোঁ। কিন্তু কিবা কাৰণত সেই মতে আমল কৰিব পৰা নাই। যিয়েই নহওঁক এইবোৰেই সেই আমল যিয়ে প্ৰকৃত তাকওৱাৰ জন্ম দিয়ে। যেতিয়া আমি একাগ্ৰচিত্তে নিজৰ ইবাদত আৰু আমল আল্লাহ তা'লাৰ সন্তুষ্টিৰ নিমিত্তে সম্পাদন কৰিম তেতিয়া আল্লাহ তা'লা যিজনা আটাইতকৈ দয়াবান,ৰহমান আৰু ৰহিম সি আমাক সেইবোৰতও বৰকত দান কৰিব, যিবোৰলৈ আমি এই ৰমজান মাহত অলপ আমল কৰিছোঁ

গতিকে আচল বস্তু হ'ল তাকওৱা। খোদা তা'লাৰ আদেশ নিষেধৰ ওপৰত নিয়মিত ভাৱে আমাল কৰাটো অতি গুৰুত্বপূৰ্ণ বিষয়। প্ৰকৃত বিষয় বস্তু হ'ল আল্লাহ তা'লাৰ ভয় অন্তৰত ৰাখি সন্তুষ্টি অৰ্জন কৰা। যদি এনেকুৰা হয় আৰু আমি আকৌ পাৰ্থিৱ জগতৰ ফালে মুখ সলাই নলওঁ আৰু য'ত গলে আমি দ্বীনক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়াৰ কথা পাহৰি যোৱা হয়, তালৈ খোজ নিদিওঁ তেন্তে যিখিনি আৰু যেনেকৈয়ে আমি ইবাদত আৰু নিজৰ সংশোধনাৰ্থে এই ৰমজান মাহত চেষ্টা কৰিছোঁ, আল্লাহ তা'লা নিশ্চয় সেয়া কবুল কৰি আমাক পুৰস্কৃত কৰিব।

গতিকে এইবোৰেই হ'ল বুনিয়াদী বস্তু যিবোৰ আমি সদায় নিজৰ দৃষ্টিপটত ৰাখিব লাগিব। এই উদ্দেশ্য সমূহ পূৰ্ণ কৰাৰ চিন্তা প্ৰত্যেক আহমদীয়ে সদায় মগজুত সজীৱ কৰি ৰাখিব লাগিব আৰু যেতিয়া আমি নিজৰ জীৱনটোক প্ৰকৃত তাকওৱাৰ ওপৰত চলাবলৈ আৰু আল্লাহ তা'লাৰ সন্তুষ্টি লাভ কৰিবলৈ অবিৰাম চেষ্টাত প্ৰয়োগ কৰিম তেতিয়া নিজৰ ল'ৰা-ছোৱালী আৰু নিজৰ জাতি গোষ্ঠীৰ আগত এক দৃষ্টান্ত স্বৰূপ হ'ব পাৰিম আৰু ইয়াৰ দ্বাৰা নেকিৰ এটা জাগৰণ এটা বংশৰ পৰা আন এটা বংশই লাভ কৰি থাকিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে আটাইতকৈ বেছি জোৰ তাকওৱাৰ ওপৰত দিছে। হজৰত মছীহ মাওউদ (আঃ)ক এই কাৰণেই পঠোৱা হৈছে যাতে আমাৰ তাকওৱাৰ মান উন্নত হয়। এঠাইত তেখেত (আঃ)য়ে কৈছে যে মোক পঠোৱা হৈছে এই কাৰণেই যে যাতে সত্য আৰু ঈমানৰ যুগ আকৌ বিৰাজমান হয় আৰু মানৱ হৃদয়ত তাকওৱাৰ জন্ম হয়। গতিকে এয়াই হ'ল মোৰ সত্তাৰ আচল উদ্দেশ্য। সেয়ে তেখেত (আঃ)ৰ যুগ খিলাফতে আলা মিনহাজিন নবুয়তৰ ওপৰত প্ৰতিষ্ঠিত হৈ আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি কিয়ামত লৈকে জাৰি হৈ থকা যুগ হ'ব। এই যুগত তেখেত (আঃ)ৰ মান্যকাৰী সকলেই আছে, যিসকলে সত্যৰ ওপৰত প্ৰতিষ্ঠিত থাকি নিজৰ ইবাদতৰ উচ্চতম মান প্ৰতিষ্ঠিত কৰিব লাগিব। এই উদ্দেশ্য কিন্তু কেৱল মাত্ৰ এমাহৰ ইবাদত বা নেকিৰ প্ৰচেষ্টাৰে সফল কৰা সম্ভৱ নহয়। যদি আমি নিজৰ ইবাদতৰ ওপৰত দৃঢ়তাৰে প্ৰতিষ্ঠিত হৈ যাওঁ তেন্তে এওঁলোকেই হ'ব সেই লোক যিসকলৰ বিষয়ে আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক কৈছে যে মই তোমাৰ লগত আৰু তোমাৰ প্ৰিয়জনৰ লগত আছো। গতিকে যদি আমি এই ৰঙেৰে জীৱন অতিবাহিত কৰো তেন্তে আমি নিজৰ আমলৰ জৰিয়তে জগতক সংবাদ দিব পাৰিম আৰু আহ্বান কৰিব পাৰিম যে যদি তোমালোকে খোদা তা'লাৰ সৈতে জীৱন্ত সম্পৰ্ক গঢ়িব বিচৰা তেন্তে ইয়ালৈ আহা! আৰু আঁহজৰত (ছাঃ)ৰ এই সত্যপ্ৰাণ দাসক কবুল কৰি লোৱা।

প্ৰকৃত তাকওৱা কি আৰু ইয়াৰ ওপৰত চলোতাজন কেনেকুৰা হয় আৰু তাৰ সৈতে আল্লাহ তা'লা কেনেকুৰা আচৰণ কৰে এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে প্ৰকৃত তাকওৱাৰ সৈতে অজ্ঞতাৰ মিশ্ৰণ হ'ব নোৱাৰে। প্ৰকৃত তাকওৱাই নিজৰ সৈতে এক কিৰণ ধাৰণ কৰি ৰাখে। যেনেকৈ আল্লাহ তা'লা কৈছে যে হে ঈমানদাৰ সকল! যদি তোমালোকে মুত্তাকী হৈ দিনাতিপাত কৰা আৰু আল্লাহৰ নিমিত্তে পৰহেজগাৰী ধাৰণ কৰি দৃঢ়তা অৱলম্বন কৰা তেন্তে খোদা তা'লা তোমালোক আৰু বেলেগৰ মাজত এটা পাৰ্থক্য নিৰ্মাণ কৰিব। সেই পাৰ্থক্য হ'ল এয়া যে তোমালোকক এটা উজ্জ্বল জ্যোতি প্ৰদান কৰিব। সেই জ্যোতি দৰাচলতে তোমালোকৰ কাৰ্য

আৰু কথা আৰু দক্ষতা আৰু জ্ঞান বিকাশৰ মাজত ক্ৰিয়াশীল হৈ পৰিব। তোমালোকৰ প্ৰজ্ঞা জিলিকি উঠিব আৰু তোমালোকৰ কথা-বতৰাত পোহৰৰ এক ৰেঙুনী জিলিকিব আৰু দৃষ্টিত এক কিৰণ ভাহি উঠিব। তোমালোকৰ কাণ,জিভা আৰু তোমালোকৰ সকলো আচাৰ-আচৰণ আৰু শান্তিময় জীৱনটোত জ্যোতি উদ্ভাসিত হ'ব। গতিকে এয়াই হয় সেই মৰ্যদাৰ স্থান, যি এজন মোমিন মুত্তাকীয়ে অৰ্জন কৰিবলৈ চেষ্টা কৰা উচিত। ৰমজান মাহ ওলাই গৈছে যদিও আমি এই স্থান পাবলৈ চেষ্টা কৰিব পাৰো। আমাৰ মাজত সৌভাগ্যবান হ'ব সেই সকল ব্যক্তি যিসকলে এই স্থান অধিকাৰ কৰিব।

আমি সদায় মনত ৰাখিব লাগিব যে এই যুগলৈ বিশেষ ভাৱে চয়তানৰ আক্ৰমণৰ যুগ আৰু চয়তানে বিভিন্ন ছল,চাতুৰি,কুচক্ৰান্ত আৰু অস্ত্ৰ বেলেৰে আক্ৰমণ চলাই আছে। গতিকে এনেকুৱা অৱস্থাত আমি আল্লাহ তা'লাৰ সমীপত বেছি বেছি নতশীৰ হোৱাৰ প্ৰয়োজন হৈছে। টি.ভিৰ মাজেদি হওঁক বা ছছিয়েল মিডিয়াৰ জৰিয়তে হওঁক নাইবা ল'ৰা-ছোৱালীৰ স্কুলীয়া প্ৰোগ্ৰামতেই হওঁক সকলো ঠাইতেই চয়তানে মিছলীয়া সকলৰ হতুৱাই এনেকুৱা ষড়যন্ত্ৰ ৰচনা কৰি আছে যে সেই বিলাকৰ পৰা আল্লাহ তা'লাৰ কৃপা ব্যতিৰেকে ৰক্ষা পোৱা অসম্ভৱ। বৰ্তমানে আমাৰ ল'ৰা-ছোৱালী বিলাকক এই চয়তানৰ আক্ৰমণৰ পৰা বচোৱাটোৱে আটাইতকৈ ডাঙৰ চিন্তা হৈ পৰিছে। এই সংক্ৰান্তে মাক-দেউতা আৰু জামাতী নিজামে ভালেখিনি চেষ্টা-প্ৰচেষ্টা হাতত ল'ব লাগিব। এই উদ্দেশ্য সফল কৰিবলৈ প্ৰত্যেক জন বিবেকবান আহমদীয়ে তাকওৱাৰ সৰ্বোচ্চ মানত গৈ থিয় হ'ব লাগিব। তেহে আমি আমাৰ ভৱিষ্যত প্ৰজন্মক চয়তানৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰিম। ৰমজানৰ পিছত আমি আৰামত বহি থকা উচিত নহ'ব,বৰং আমি কোৰাণৰ জ্ঞান আৰু ধৰ্ম সম্পৰ্কে বিভিন্ন জ্ঞান আৰু শিক্ষাক আগবঢ়াই লৈ যাব লাগিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে এয়া সত্য কথা যে (সি) আল্লাহ তা'লা মোৰ অনুসাৰী সকলক কিয়ামত পৰ্যন্ত মোৰ বিৰুদ্ধবাদী সকলৰ ওপৰত সাফল্য দান কৰিব। কিন্তু চিন্তা কৰিব লগীয়া বিষয় হ'ল এয়া যে এজনে কেৱল মোৰ হাতত বয়াত কৰিলেই মোৰ মান্যকাৰী সকলৰ মাজত অন্তৰ্ভুক্ত হ'ব নোৱাৰে যেতিয়ালৈকে তেওঁ নিজৰ ভিতৰত পূৰ্ণ আনুগত্যৰ জন্ম দিব নোৱাৰে। কৈছে যে স্পষ্ট কথা এয়া যে কেৱল মাত্ৰ মুখেৰে বয়াতৰ শব্দ উচ্চাৰণ কৰাটো কোনো মূল্যবান বিষয় নহয় যেতিয়ালৈকে হৃদয়ৰ গভীৰতাৰে আৰু দোৱাৰ মাজেৰে তাৰ ওপৰত আমল কৰা নহয়। গতিকে যিজনে মোৰ শিক্ষাৰ ওপৰত পূৰ্ণ ভাৱে আমল কৰে তেওঁহে মোৰ এই ঘৰৰ ভিতৰত বুলি গণ্য হয় যাৰ সম্পৰ্কে খোদা তা'লা প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যে **ইন্নি উহাফিজু কুল্লা মান ফিদ্‌দাৰ**

অৰ্থাৎ প্ৰত্যেক সেইজন ব্যক্তি যিজনে তোমাৰ চাৰি বেৰৰ ভিতৰত আছে মই তাক ৰক্ষা কৰিম।

হুজুৰ (আঃ)য়ে কৈছে যে এয়া তোমালোকে ভালদৰেই জানা যে চয়তান লা হাওলাৰ দ্বাৰা পলায়। কিন্তু এয়া ইমান সহজ নহয় যে কেৱল মুখেৰে লাহাওলা কলেই চয়তান পলাব। আচল কথা হ'ল এয়া যে যাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে লা হাওলা বিৰাজিত আৰু যিয়ে সদায় খোদা তা'লাৰ সহায় বিচাৰে আৰু তাৰ কল্যাণ ও কৃপা লাভ কৰি থাকে তাকেহে চয়তানৰ চম্ভলৰ পৰা বচোৱা হয়।

এঠাইত হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে দোৱা চুম্বকৰ দৰে ক্ৰিয়া কৰে, দোৱা কৃপা আৰু কল্যাণক নিজৰ ফালে টানি আনে। যেতিয়ালৈকে মানুহে কিতাবুল্লাহক প্ৰাধান্যতা নিদিয়ে আৰু ইয়াৰ নিৰ্দেশ অনুসৰি আমল নকৰে তেতিয়ালৈকে তাৰ নামাজ কেৱল সময় নষ্ট কৰাহে হ'ব। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এটা হাদীছত উল্লেখ আছে যে নামাজ সকলো ইবাদতৰ মগজু। গতিকে যেতিয়া আমি এই মগজু অৰ্জন কৰিবলৈ চেষ্টা কৰিম তেতিয়া আমি নামাজ আৰু ইবাদতৰ হ'ক আদায় কৰোঁতা হ'ম আৰু আল্লাহ তা'লাৰ সান্নিধ্য লাভ কৰোঁতা হ'ম। গতিকে প্ৰকাশ্য নামাজৰ অভিনয়ৰ একো দাম নাই বা কোনো লাভ নিদিয়ে। অগনন নামজী আছে, যিসকলে

মছজিদত গৈ নামাজ পঢ়ি আকৌ জুলুম অত্যাচাৰৰ শেষ পায়গৈ।

আমাৰ নামাজ কেনেকুৱা হোৱা উচিত এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে মনত ৰাখিবা নামাজ সেই বস্তু যাৰ দ্বাৰা সকলো সমস্যা সমাধান হৈ যায় আৰু সকলো বিপদ দূৰীভূত হয়। কিন্তু নামাজ সেই নামাজৰ দৰে হ'ব নালাগে যিটো সাধাৰণতে লোকে পৰম্পৰাগত হিচাপে পঢ়ি থাকে। নামাজ এনেকুৱা হোৱা উচিত যাৰ দ্বাৰা নামাজীৰ হৃদয় বিগলিত হৈ যায় আৰু ওৱাহেদ লাশাৰিকালাহুৰ দৰবাৰত পতি বিলীন হৈ যায়।

আল্লাহ্ তা'লা আমাক নামাজৰ হ'ক আদায় কৰাৰ তৌফিক দান কৰক। আমি নিজৰ বংশধৰ সকলক এনেকুৱা ইবাদত কৰাৰ অভ্যাস কৰাওঁতা হ'ব পাৰো যি সিহঁতৰ আৰু ভৱিষ্যত প্ৰজন্মৰ শান্তিৰ জামিনদাৰ হ'ব। এই যুগত দাজ্জালৰ বিনাশ হোৱাটো আল্লাহ তা'লাই হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। এয়া আমাৰ সৌভাগ্য হ'ব যদি আমি সেই সকল লোকৰ মাজত চামিল হওঁ যিসকলে হজৰত মছীহ মাওউদ (আঃ)ৰ জামাত ভুক্ত হোৱাৰ হ'ক আদায় কৰে। এই হ'ক আদায় কৰিবলৈ হজৰত মছীহ মাওউদ (আঃ)য়ে কৰুণ,মিনতি আকুতি কৰাৰ পথ বৰ্ণনা কৰিছে। এই স্থান লাভ কৰিবলৈ হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তোমালোকৰ দিন আৰু ৰাতিৰ কোনো সময় যেন দোৱা বিহীন হৈ নাযায়। আল্লাহ্ তা'লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক।

পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱা কৰিব যাতে আল্লাহ্ তা'লা তেওঁলোকক দুষ্ট চক্ৰ আৰু বিৰুদ্ধবাদী সকলৰ পৰা উদ্ভৱ হোৱা বিপদৰ পৰা নিৰাপদ ৰাখে। পাকিস্তানত বসবাস কৰা আহমদী সকলেও নিজৰ বাবে দোৱা কৰিব। তিনি চাৰি দিন অথবা সপ্তাহৰ দোৱা নহয় বৰং নিয়মিত দোৱা কৰিব। নিজৰ জীৱনটোক খোদা তা'লাৰ আদেশ অনুযায়ী চলোৱাৰ শপত লওঁক। বৰকিনাফাছো,বাংলাদেশ, আলজেৰিয়া আৰু বিশ্বৰ প্ৰত্যেক দেশৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা আহমদীক শত্ৰুৰ আক্ৰমণৰ পৰা নিৰাপদ ৰাখক। আল্লাহ তা'লা আমাক নিজৰ মাজত পৱিত্ৰ পৰিৱৰ্তন সাধন কৰিবলৈ আৰু দোৱা কৰিবলৈ তৌফিক দান কৰক আৰু সেই দোৱা সমূহ কবুল কৰি লওঁক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 21 APRIL 2023**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................
..........................................................................................................
..........................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844